# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-07-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বিয়লি কোকৰাঝাৰত ক্ৰীড়া প্ৰশিক্ষণ আৰু পুনৰ সংস্থাপন কেন্দ্ৰটো উদ্বোধন কৰে। ৰাজ্য চৰকাৰৰ ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগ, অইল ইণ্ডিয়া লিমিটেড, নুমলীগড় ৰিফাইনেৰী লিমিটেড আদিৰ সহযোগত স্থাপন কৰা কেন্দ্ৰটোত উন্নত ক্ৰীড়া প্ৰযুক্তি, তৃণমূল পৰ্যায়ৰ এথলেটৰ বিভিন্ন সা-সুবিধা, তেওঁলোকৰ যোগ্যতা নিৰূপণ আদি ব্যৱস্থা আছে। ২৫ কোটি ৭০ লাখ টকাৰ ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই ক্ৰীড়া প্ৰকল্পৰ উদ্বোধনী অনুষ্ঠানত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো আৰু ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী নন্দিতা গাৰ্লোচা উপস্থিত থাকে।

০০০০০

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ দপ্তৰৰ ৰাজ্যমন্ত্ৰী প্ৰতাপ ৰাও যাদৱে আজি ধুবুৰী জিলাত উপস্থিত হৈ জিলাখনৰ উন্নয়নমূলক কাম-কাজৰ বুজ লয়। অভিলাষী জিলা হিচাপে ঘোষণা হোৱাৰ পাছত জিলাখন ভ্ৰমণলৈ অহা মন্ত্ৰীগৰাকীয়ে অভিলাষী জিলা পৰিকল্পনাৰ মূল অংশীদাৰ সকলৰ সৈতে মত বিনিময় কৰে। তেওঁ জিলা আৰৰ্ত ভৱনৰ প্ৰেক্ষাগৃহত জিলা প্ৰশাসনৰ সৈতে গুৰুত্বপূৰ্ণ বৈঠকতো অংশ লয়। ইয়াৰ পূৰ্বে মন্ত্ৰীগৰাকীয়ে ধুবুৰী জিলাৰ গৌৰীপুৰ ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ত নৱনিৰ্মিত শ্ৰেণীকোঠা পৰিদৰ্শন কৰে।

০০০০০

ভাৰতীয় মহাকাশচাৰী কেপ্তেইন শুভাংশু শুক্লা আৰু Axiom-4 অভিযানৰ আন তিনিজন মহাকাশচাৰীয়ে ১৮ দিনীয়া অভিযানৰ অন্তত আজি পৃথিৱীপৃষ্ঠত পদাৰ্পণ কৰে। অভিযানৰ অংশ হিচাপে আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত গৱেষণাৰ পাছত ড্ৰেগন কেপছুলৰ সহায়ত মহাকাশচাৰীসকলে প্ৰশান্ত মহাসাগৰত অৱতৰণ কৰে। এই অভিযানৰ সফলতাৰ পাছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমযোগে মহাকাশচাৰীসকলক আদৰণি জনায়। উল্লেখযোগ্য যে কালি বিয়লি ৪ বাজি ৩০ মিনিটত আনডকিং প্ৰক্ৰিয়া আৰম্ভ হৈছিল। অৱতৰণৰ পিছত গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লাই অন্যান্য সদস্যসকলৰ সৈতে পৃথিৱীৰ মাধ্যাকৰ্ষণ শক্তিৰ লগত পুনৰ খাপ খাব পৰাকৈ ৭ দিনীয়া বিশেষ কাৰ্যসূচী গ্ৰহণ কৰিব। উল্লেখযোগ্য যে গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লাই আন তিনিগৰাকী সদস্যৰ সৈতে আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰলৈ গৈছিল। তেওঁ আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰ ভ্ৰমণ কৰা প্ৰথমজন ভাৰতীয় আৰু ১৯৮৪ চনত মহাকাশলৈ যোৱা উইং কমাণ্ডাৰ ৰাকেশ শৰ্মাৰ পিছত দ্বিতীয়জন ভাৰতীয় মহাকাশচাৰী হিচাপে পৰিগণিত হয়।

০০০০০

ভোটদাতাৰ তালিকাৰ সংশোধনী প্ৰক্ৰিয়াক লৈ নিৰ্বাচন আয়োগে বিভিন্ন জিলাত ব্যৱস্থা গ্ৰহণ কৰিছে। আজি বৰপেটা জিলাৰ চেঙা বিধানসভা সমষ্টিৰ বিএলঅ' আৰু বিএলঅ' ছুপাৰভাইজাৰসকলৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। জিলা নিৰ্বাচনী বিভাগৰ উদ্যোগত হোৱা বৰপেটা চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত প্ৰশিক্ষণত ভোটদাতাৰ তালিকা সংশোধনৰ প্ৰয়োজনীয়তা, সংশোধন পদ্ধতি, শুদ্ধ ৰূপত তালিকা প্ৰস্তুত কৰাকে ধৰি বিভিন্ন বিষয় সম্পৰ্কে অৱগত কৰা হয়। অতিৰিক্ত জিলা আয়ুক্ত গীতাশ্ৰী লাচিতৰ উপৰি নিৰ্বাচনী প্ৰক্ৰিয়াৰ সৈতে জড়িত কেইবাগৰাকীয়ে অভিজ্ঞ ব্যক্তিয়ে এই প্ৰশিক্ষণ প্ৰদান কৰে।

ooooo

কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰালয়ে ন্যায়াধীশ আশুতোষ কুমাৰক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তি প্ৰদান কৰিছে। ইয়াৰ পূৰ্বে আশুতোষ কুমাৰ পাটনা উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে কৰ্মৰত আছিল। উল্লেখযোগ্য যে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পূৰ্বৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয়ক উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে নিযুক্তি দিয়া হৈছিল। ইয়াৰ পিছতে উচ্চতম ন্যায়ালয়ৰ কলেজিয়ামে পাটনা উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে কৰ্মৰত আশুতোষ কুমাৰক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তিত অনুমোদন জনাইছিল। কলেজিয়ামৰ অনুমোদনৰ ভিত্তিত কালি আইন আৰু ন্যায় মন্ত্ৰালয়ে আশুতোষ কুমাৰক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তি দিয়ে।

ooooo

ৰাষ্ট্ৰসংঘৰ খাদ্য কাৰ্যসূচীৰ অধীনত অসম চৰকাৰৰ খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগে ৰাজ্যৰ শিশু আৰু মহিলাৰ ৰক্তাল্পতা দূৰ কৰাৰ বাবে **পুষ্টি প্ৰথম** নামৰ এখন আঁচনি ৰূপায়ণ কৰি আছে। এই আঁচনিৰ অধীনত ৰাজহুৱা বিতৰণ ব্যৱস্থা আৰু মধ্যাহ্ন ভোজন আঁচনিৰ অধীনত যোগান ধৰা চাউলত ফৰ্টিফাইড অৰ্থাৎ পৰিপুষ্টিযুক্ত চাউল সংযুক্ত কৰি যোগানৰ ব্যৱস্থা কৰা হৈছে।

ooooo

আকাশবাণী গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ অভিযান্ত্ৰিক সহায়ক গোবিন্দ গোস্বামীৰ মগজুৰ ৰক্তক্ষৰণ হৈ আজি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। ২০১২ চনত অৱসৰ গ্ৰহণ কৰা গোস্বামীৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৭৩ বছৰ।

ooooo

সমাপ্ত